মৰমৰ সন্তানসকল – **“**তোমালোক পিতাৰ ওচৰলৈ আহিছাই সজীৱ হ'বলৈ**,** পিতা আৰু উত্তৰাধিকাৰক স্মৰণ কৰা তেতিয়া সদায় সজীৱ হৈ থাকিবা**”**

প্ৰশ্ন: বিচাৰ বুদ্ধি সম্পন্ন সন্তানসকলৰ মুখ্য লক্ষণ কি হ'ব?

উত্তৰ: যিসকল বিচাৰ বুদ্ধি সম্পন্ন তেওঁলোক অপাৰ আনন্দত থাকিব। যদি আনন্দিত নহয় তেন্তে অবোধ। বিচাৰ বুদ্ধি সম্পন্ন অৰ্থাৎ পাৰসবুদ্ধিৰ হওঁতা। তেওঁলোকে অন্যকো পাৰসবুদ্ধিৰ কৰি তুলিব। আত্মিক সেৱাত ব্যস্ত হৈ থাকিব। পিতাৰ পৰিচয় নিদিয়াকৈ থাকিব নোৱাৰিব।

ওঁম্ শান্তি। পিতাই বুজায়, এই দাদায়ো বুজে কিয়নো পিতাই বহি দাদাৰ দ্বাৰা বুজায়। তোমালোকে যেনেকৈ বুজা দাদায়ো বুজে। দাদাক ভগৱান বুলি কোৱা নহয়। এয়া হৈছে ভগৱানুবাচ (ভগৱানৰ বাণী)। পিতাই মুখ্যতঃ কি বুজায় যে দেহী-অভিমানী হোৱা। এনেকৈ কিয় কয়? কিয়নো নিজক আত্মা বুলি বুজিলে আমি পতিত-পাৱন পৰমপিতা পৰমাত্মাৰ দ্বাৰা পাৱন হওঁতা হওঁ। বুদ্ধিত এই জ্ঞান আছে। সকলোকে বুজাব লাগে, আহ্বানো জনায় যে আমি পতিত। নতুন সৃষ্টি পাৱন নিশ্চয় হ'ব। নতুন সৃষ্টিৰ ৰচয়িতা, স্থাপনা কৰোঁতা হৈছে পিতা। তেওঁকেই পতিত-পাৱন বাবা বুলি কৈ আহ্বান জনায়। পতিত-পাৱন, লগতে তেওঁক পিতা বুলি কয়। পিতাক আত্মাসকলে আহ্বান জনায়। শৰীৰে আহ্বান নজনায়। আমাৰ অৰ্থাৎ আত্মাসকলৰ পিতা পাৰলৌকিক, তেৱেঁই পতিত-পাৱন। এইটোতো ভালদৰে স্মৃতিত ৰাখিব লাগে। এইখন নতুন সৃষ্টি নে পুৰণি সৃষ্টি, এইটো বুজিবতো পাৰা নহয়। এনেকুৱাও অবোধ আছে, যিয়ে ভাবে আমাৰ অপাৰ সুখ। আমিতো যেন স্বৰ্গত বহি আছোঁ। কিন্তু এইটোও বুজিব লাগে যে কলিযুগক কেতিয়াও স্বৰ্গ বুলি ক’ব নোৱাৰি। নামেই হৈছে কলিযুগ, পুৰণি পতিত সৃষ্টি। পাৰ্থক্য আছে নহয়। মনুষ্যৰ বুদ্ধিত এইটোও ধাৰণ নহয়। একেবাৰে জৰ্জৰিত অৱস্থা। সন্তানে নপঢ়িলে তেতিয়া কয় নহয় যে তুমিতো পাথৰবুদ্ধিৰ। বাবায়ো লিখে - তোমালোকৰ গাঁওৰ নিবাসীসকলতো একেবাৰে পাথৰবুদ্ধিৰ। বুজি নাপায় কিয়নো অন্যক নুবুজায়। নিজে পাৰসবুদ্ধিৰ হ’লে তেন্তে অন্যকো কৰি তুলিব লাগে। পুৰুষাৰ্থ কৰিব লাগে। ইয়াত লাজ আদিৰতো কথাই নাই। কিন্তু মনুষ্যৰ বুদ্ধিত আধাকল্পৰ পৰা ওলোটা কথা ধাৰণ হৈ আহিছে গতিকে সেয়া নাপাহৰে। কেনেকৈ পাহৰা যায়? পাহৰোঁৱাৰ শক্তিওতো এজন পিতাৰহে আছে। পিতাৰ বাহিৰেতো এই জ্ঞান কোনেও দিব নোৱাৰে। অৰ্থাৎ সকলো অজ্ঞানী। তেওঁলোকৰ জ্ঞান আকৌ ক'ৰ পৰা আহিব! যেতিয়ালৈকে জ্ঞান সাগৰ পিতা আহি নুশুনায়। তমোপ্ৰধান মানেই অজ্ঞানী সৃষ্টি। সতোপ্ৰধান মানে দৈৱী সৃষ্টি। পাৰ্থক্যতো আছে নহয়। দেৱী-দেৱতাসকলেহে পুনৰ্জন্ম লয়। সময়ো অতিবাহিত হৈ গৈ থাকে। বুদ্ধিও দুৰ্বল হৈ গৈ থাকে। বুদ্ধিৰ যোগসূত্ৰ গঢ়ি তোলাৰ কাৰণে যি শক্তি পায় সেয়া আকৌ শেষ হৈ যায়।

এতিয়া তোমালোকক পিতাই বুজায় গতিকে তোমালোক কিমান সজীৱ হৈ যোৱা। তোমালোক সজীৱ আছিলা আৰু বিশ্ৰামত আছিলা। পিতায়ো লিখে নহয় - সন্তানসকল আহি সজীৱো হৈ যোৱা আৰু বিশ্ৰামো কৰা। সজীৱ হোৱাৰ পাছত তোমালোক সত্যযুগত বিশ্ৰামপুৰীলৈ যোৱা। তাত তোমালোকে বহুত বিশ্ৰাম পোৱা। তাত সুখ-শান্তি-সম্পত্তি আদি সকলোবোৰ তোমালোকে পোৱা। গতিকে পিতাৰ ওচৰলৈ আহে সজীৱ হ'বৰ কাৰণে, বিশ্ৰাম ল'বলৈ। সজীৱো শিৱবাবাই কৰায়। বিশ্ৰামো বাবাৰ ওচৰত লোৱা। বিশ্ৰাম মানে শান্তি। ভাগৰি গ’লে বিশ্ৰাম লয় নহয়! বিশ্ৰাম কৰিবলৈ কোনোবা ক'ৰবালৈ, কোনোবা আন ক'ৰবালৈ যায়। তাততো সজীৱতাৰ কথাই নাই। ইয়াত তোমালোকক পিতাই নিতৌ বুজায় গতিকে তোমালোক ইয়ালৈ আহি সজীৱ হোৱা। স্মৰণ কৰিলে তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যোৱা। সতোপ্ৰধান হ'বলৈয়ে তোমালোক ইয়ালৈ আহা। তাৰ বাবে পুৰুষাৰ্থ কি? মৰমৰ সন্তানসকল পিতাক স্মৰণ কৰা। পিতাই সকলো শিক্ষাতো দিছে। এই সৃষ্টি চক্ৰ কেনেকৈ ঘূৰে, তোমালোকে বিশ্ৰাম কেনেকৈ পোৱা। অন্য কোনেও এই কথাবোৰ নাজানে গতিকে তেওঁলোককো বুজাব লাগে, যাতে তেওঁলোকো তোমালোকৰ নিচিনা সজীৱ হৈ যায়। নিজৰ দায়িত্বই হৈছে এইটো, সকলোকে বাৰ্তা দিয়া। অবিনাশী সজীৱ হ’ব লাগে। অবিনাশী বিশ্ৰাম ল'ব লাগে। সকলোকে এইটো বাৰ্তা দিয়া। এইটোৱেই সোঁৱৰাই দিব লাগে যে পিতাক আৰু উত্তৰাধিকাৰক স্মৰণ কৰা। হওতেতো বহুত সহজ কথা। বেহদৰ পিতাই স্বৰ্গ ৰচনা কৰে। স্বৰ্গৰে উত্তৰাধিকাৰ দিয়ে। এতিয়া তোমালোক সংগমযুগত আছা। মায়াৰ অভিশাপ আৰু পিতাৰ উত্তৰাধিকাৰক তোমালোকে জানা। যেতিয়া মায়া ৰাৱণৰ অভিশাপ পোৱা যায় তেতিয়া পবিত্ৰতাও শেষ, সুখ-শান্তিও শেষ, গতিকে ধনো শেষ হৈ যায়। কেনেকৈ লাহে লাহে শেষ হৈ যায় - সেয়াও পিতাই বুজাইছে। কিমান জন্ম লাগে,

দুখধামত জানো বিশ্ৰাম হয়। সুখধামত বিশ্ৰামেই বিশ্ৰাম। মনুষ্যক ভক্তিয়ে কিমান ক্লান্ত কৰি দিয়ে। জন্ম-জন্মান্তৰ ক্লান্ত কৰি দিয়ে। কঙাল কৰি দিয়ে। এয়াও এতিয়া তোমালোকক পিতাই বুজায়। কোনোবা নতুন আহিলে তেতিয়া কিমান বুজোৱা হয়। প্ৰতিটো কথাত মনুষ্যই বহুত চিন্তা কৰে। ভাবে ক'ৰবাত যাতে যাদু হৈ নাযায়। হেৰ’ তোমালোকে কোৱা যাদুকৰ বুলি। গতিকে ময়ো কওঁ - যাদুকৰ হওঁ। কিন্তু যাদু কোনো তেনেকুৱা নহয় যে ভেড়া-ছাগলী আদি কৰি দিব। জন্তুৰ কথাতো নহয়। এয়া বুদ্ধিৰে বুজা যায়। গায়নো আছে – ছাগলীয়ে স্বৰ্গীয় সুৰ কি বুজিব...... এই সময়ত মনুষ্য যেন ভেড়া সদৃশ। এই কথাবোৰ ইয়াৰ কাৰণে। সত্যযুগত এনেকৈ নাগায়, এই সময়ৰে গায়ন। চণ্ডিকাৰ কিমান মেলা লাগে। সোধা তেওঁ কোন আছিল? ক'ব দেৱী আছিল। এতিয়া এনেকুৱা নামতো তাত নাথাকে। সত্যযুগততো সদায় শুভ নাম হয়। শ্ৰী ৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ... ‘শ্ৰী’ বুলি কোৱা হয় শ্ৰেষ্ঠসকলক। সত্যযুগী সম্প্ৰদায়ক শ্ৰেষ্ঠ বুলি কোৱা হয়। কলিযুগী বিকাৰী সম্প্ৰদায়ক শ্ৰেষ্ঠ বুলি কেনেকৈ ক'ব। ‘শ্ৰী’ মানে শ্ৰেষ্ঠ। এতিয়াৰ মনুষ্যতো শ্ৰেষ্ঠ নহয়। গায়নো আছে মনুষ্যৰ পৰা দেৱতা..... পুনৰ দেৱতাৰ পৰা মনুষ্য হয় কিয়নো 5 বিকাৰৰ বশৱৰ্তী হয়। ৰাৱণৰাজ্যত সকলো মনুষ্যই মনুষ্য। তাত হৈছে দেৱতা। সেইখনক দৈৱী বিশ্ব, এইখনক মানৱ বিশ্ব বুলি কোৱা হয়। দৈৱী বিশ্বক দিন বুলি কোৱা হয়। মানৱ বিশ্বক ৰাতি বুলি কোৱা হয়। দিন পোহৰক কোৱা হয়। ৰাতি অজ্ঞান অন্ধকাৰক কোৱা হয়। এই পাৰ্থক্যক তোমালোকে জানা। তোমালোকে বুজি পোৱা আমি প্ৰথমতে একোৱেই নাজানিছিলোঁ। এতিয়া সকলো কথা বুদ্ধিত আছে। ঋষি-মুনিসকলক সোধে ৰচয়িতা আৰু ৰচনাৰ আদি-মধ্য-অন্তক জানেনে তেতিয়া তেওঁলোকেও নাজানো নাজানো বুলি কৈ গ'ল। আমি নাজানো। এতিয়া তোমালোকে বুজি পোৱা আমিও প্ৰথমতে নাস্তিক আছিলোঁ। বেহদৰ পিতাক নাজানিছিলোঁ। তেওঁ হৈছে আচল অবিনাশী বাবা, আত্মাসকলৰ বাবা। তোমালোক সন্তানসকলে জানা আমি সেই বেহদৰ পিতাৰ হৈছোঁ, যি কেতিয়াও নজ্বলে। ইয়াততো সকলো জ্বলে, ৰাৱণকো জ্বলায়। শৰীৰ হয় নহয়। তথাপিও আত্মাকতো কেতিয়াও কোনেও জ্বলাব নোৱাৰে। গতিকে সন্তানসকলক পিতাই এই গুপ্ত জ্ঞান শুনায়, যি জ্ঞান পিতাৰ আছে। এয়া আত্মাত গুপ্ত জ্ঞান আছে। আত্মাও গুপ্ত। আত্মাই এই মুখৰ দ্বাৰা কয় সেয়েহে পিতাই কয় - সন্তানসকল, দেহ-অভিমানী নহ'বা। আত্ম-অভিমানী হোৱা। নহ'লে যেন ওলোটা হৈ যোৱা। নিজক আত্মা বুলি পাহৰি যায়। ড্ৰামাৰ ৰহস্যকো ভালদৰে বুজিব লাগে। ড্ৰামাত যি নিৰ্ধাৰিত হৈ আছে সেয়া হুবহু পুনৰাবৃত্তি হয়। এইটো কোনেও নাজানে। ড্ৰামা অনুসৰি চেকেণ্ডৰ পাছত চেকেণ্ড কেনেকৈ অতিবাহিত হৈ গৈ থাকে, এই জ্ঞানো বুদ্ধিত আছে। আকাশৰ কোনো পাৰ পাব নোৱাৰে। ধৰণীৰ পাৰ পাব পাৰে। আকাশ সূক্ষ্ম, ধৰণীতো স্থূল। কোনো বস্তুৰ পাৰ পাব নোৱাৰে। যাৰ বাবে কয়ো যে আকাশেই আকাশ, পাতালেই পাতাল। শাস্ত্ৰত শুনিছে নহয়, গতিকে ওপৰতো গৈ চায়। তাতো সৃষ্টি স্থাপনা কৰাৰ চেষ্টা কৰে। সৃষ্টিৰ বিস্তাৰতো বহুত কৰিছে নহয়। ভাৰতত কেৱল এটাই দেৱী-দেৱতা ধৰ্ম আছিল অন্য খণ্ড আদি নাছিল পাছত কিমান বিস্তাৰ কৰিলে। তোমালোকে বিচাৰ কৰা। ভাৰতৰো কিমান অকণমান খণ্ডত দেৱতাসকল থাকে। যমুনাৰ পাৰত থাকে। দিল্লী পৰিস্তান আছিল, ইয়াক কবৰস্থান বুলি কোৱা হয়, য'ত অকাল মৃত্যু হৈ থাকে। অমৰলোকক পৰিস্তান বুলি কোৱা হয়। তাত বহুত প্ৰাকৃতিক সৌন্দৰ্য থাকে। ভাৰতক বাস্তৱত পৰিস্তান বুলি কৈছিল। এই লক্ষ্মী-নাৰায়ণ পৰিস্তানৰ মালিক আছিল নহয়। কিমান শোভনীয় আছিল। সতোপ্ৰধান হয় নহয়। প্ৰাকৃতিক সৌন্দৰ্য আছিল। আত্মাও চিকমিকাই থাকে। সন্তানসকলক দেখুওৱা হৈছিল শ্ৰীকৃষ্ণৰ জন্ম কেনেকৈ হয়। গোটেই কোঠালিত যেন চমৎকাৰ হৈ যায়। গতিকে পিতাই সন্তানসকলক বহি বুজায়। এতিয়া তোমালোক পৰিস্তানলৈ যাবৰ কাৰণে পুৰুষাৰ্থ কৰি আছা। ক্ৰমানুসৰিতো নিশ্চয় হ'ব লাগে। এজনৰ নিচিনা সকলো হ'ব নোৱাৰে। বিচাৰ কৰা হয়, ইমান সূক্ষ্ম আত্মাই কিমান ডাঙৰ ভূমিকা পালন কৰে। শৰীৰৰ পৰা আত্মা ওলাই গ’লে তেতিয়া শৰীৰৰ কি অৱস্থা হৈ যায়। গোটেই সৃষ্টিৰ ভাৱৰীয়াসকলে সেই ভূমিকাই পালন কৰে যি অনাদি নিৰ্ধাৰিত হৈ আছে। এই সৃষ্টিও অনাদি। তাত প্ৰত্যেকৰে ভূমিকাও অনাদি। তাক তোমালোকে বিস্ময়কৰ বুলি তেতিয়া কোৱা যেতিয়া জানা যে এয়া হৈছে সৃষ্টি ৰূপী বৃক্ষ। পিতাই কিমান ভালদৰে বুজায়। ড্ৰামাত তথাপিও যাৰ বাবে যিমান সময় আছে সিমানখিনি বুজিবলৈ সময় লয়। বুদ্ধিত পাৰ্থক্য আছে নহয়। আত্মা মন-বুদ্ধি সহিত আছে গতিকে কিমান পাৰ্থক্য থাকে। সন্তানসকলে গম পায় যে আমি জলপানী ল'ব লাগে। গতিকে ভিতৰি অন্তৰ আনন্দিত হয় নহয়। ইয়াতো ভিতৰলৈ আহিলেই লক্ষ্য-উদ্দেশ্য সন্মুখত দেখিবলৈ পোৱা যায় তেন্তে নিশ্চয় আনন্দিত হ'ব নহয়! এতিয়া তোমালোকে জানা এনেকুৱা হ'বৰ কাৰণে ইয়াত পঢ়িবলৈ আহিছোঁ। নহ'লেতো কেতিয়াও কোনো আহিব নোৱাৰে। এয়া হৈছে লক্ষ্য-উদ্দেশ্য। এনেকুৱা কোনো স্কুল ক'তো নাথাকিব য'ত পৰৱৰ্তী জন্মৰ লক্ষ্য-উদ্দেশ্যক চাব পাৰে। তোমালোকে দেখি আছা এওঁলোক স্বৰ্গৰ মালিক, আমিয়েই এয়া হ'মগৈ। আমি এতিয়া সংগমযুগত আছোঁ। সেইখন ৰাজ্যৰো নহওঁ, আৰু এইখন ৰাজ্যৰো নহওঁ। আমি মাজত আছোঁ, গৈ আছোঁ। নাৱৰীয়াও (পিতাও) হৈছে নিৰাকাৰ। নাৱো (আত্মাও) হৈছে নিৰাকাৰ। নাওক টানি পৰমধামলৈ লৈ যায়। নিৰাকাৰী পিতাই নিৰাকাৰী সন্তানসকলক লৈ যায়। পিতাইহে সন্তানসকলক লগত লৈ যাব। এই চক্ৰ পূৰা হয় পুনৰ হুবহু পুনৰাবৃত্তি কৰিব লাগে। এটা শৰীৰ এৰি আন এটা ল'ব। সৰু হৈ পুনৰ ডাঙৰ হ'ব। যেনেকৈ আমৰ গুটি মাটিত পেলাই দিয়ে তেতিয়া তাৰ পৰা পুনৰ আম ওলাই আহিব। সেয়া হৈছে

হদৰ বৃক্ষ। এয়া মনুষ্য সৃষ্টি ৰূপী বৃক্ষ, ইয়াক বিচিত্ৰ বৃক্ষ বুলি কোৱা হয়। সত্যযুগৰ পৰা কলিযুগলৈকে সকলোৱে ভূমিকা পালন কৰি থাকে। অবিনাশী আত্মাই 84 চক্ৰৰ ভূমিকা পালন কৰে। লক্ষ্মী-নাৰায়ণ আছিল যি এতিয়া নাই। পৰিক্ৰমা লগাই এতিয়া পুনৰ এয়া হয়। ক'ব প্ৰথমতে এওঁলোক লক্ষ্মী-নাৰায়ণ আছিল আকৌ তেওঁলোকৰ এয়া হৈছে অন্তিম জন্ম ব্ৰহ্মা-সৰস্বতী। এতিয়া সকলোৱে নিশ্চয় উভতি যাব লাগে। স্বৰ্গততো ইমানবিলাক লোক নাছিল। ইছলামীও নাছিল, বৌদ্ধীও নাছিল........ দেৱী-দেৱতাসকলৰ বাহিৰে অন্য কোনো ধৰ্মৰ ভাৰৰীয়া নাছিল। এইখিনি বোধো কাৰো নাই। বিচাৰ বুদ্ধি সম্পন্নসকলে উপাধি পাব লাগে নহয়। যিয়ে যিমান পঢ়ে পুৰুষাৰ্থৰ ক্ৰম অনুসৰি পদ প্ৰাপ্ত কৰে। গতিকে তোমালোক সন্তানসকল ইয়ালৈ আহিলেই এই লক্ষ্য-উদ্দেশ্য দেখি আনন্দিত হৈ যাব লাগে। আনন্দৰতো সীমা নাই। পাঠশালা বা স্কুল এনেকুৱা হ'ব লাগে। হয় কিমান গুপ্ত, কিন্তু বহুত শ্ৰেষ্ঠ পাঠশালা। যিমান উচ্চ পঢ়া, সিমান ডাঙৰ কলেজ। তাত সকলোবোৰ সুবিধা পোৱা যায়। আত্মাই পঢ়িব লাগে পাছত লাগিলে সোণৰ সিংহাসনতে বহক বা কাঠৰ সিংহাসনতে বহক। সন্তানসকল কিমান আনন্দিত হ'ব লাগে কিয়নো শিৱ ভগৱানুবাচ হয় নহয়। প্ৰথম নম্বৰত হৈছে এওঁ বিশ্বৰ ৰাজকুমাৰ। সন্তানসকলে এতিয়া গম পাইছে। কল্পই কল্পই পিতা আহি নিজৰ পৰিচয় দিয়ে। মই এওঁৰ শৰীৰত প্ৰৱেশ কৰি তোমালোক সন্তানসকলক পঢ়াই আছোঁ। দেৱতাসকলৰ জানো এই জ্ঞান থাকিব। জ্ঞানৰ দ্বাৰা দেৱতা হৈ গ'ল পুনৰ পঢ়াৰ দৰকাৰ নাই, এই ক্ষেত্ৰত বুজিবলৈ বহুত বিশালবুদ্ধিৰ হ'ব লাগে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) বুদ্ধিৰে এই পতিত সৃষ্টিৰ সন্ন্যাস কৰি পুৰণি দেহ আৰু দেহৰ সম্বন্ধীয়সকলক পাহৰি নিজৰ বুদ্ধি পিতা আৰু স্বৰ্গৰ ফালে লগাব লাগে।

(2) অবিনাশী বিশ্ৰামৰ অনুভৱ কৰিবৰ কাৰণে পিতা আৰু উত্তৰাধিকাৰৰ স্মৃতিত থাকিব লাগে। সকলোকে পিতাৰ বাৰ্তা দি সজীৱ কৰি তুলিব লাগে। আত্মিক সেৱাত লাজ কৰিব নালাগে।

বৰদান: সংগঠনত একমত আৰু একৰস স্থিতিৰ দ্বাৰা সফলতা প্ৰাপ্ত কৰোঁতা সঁচা স্নেহী হোৱা

সংগঠনত এজনে ক'লে আৰু আনজনে সন্মতি দিলে- এয়া হৈছে সঁচা স্নেহৰ সঁহাৰি। এনেকুৱা স্নেহী সন্তানৰ উদাহৰণ দেখি অন্যও সংস্পৰ্কত আহিবলৈ সাহস কৰে। সংগঠনো সেৱাৰ সাধন হৈ যায়। য'ত মায়াই দেখে যে এওঁলোকৰ একতা ভাল, ঘেৰাও আছে তেতিয়া তালৈ যাব সাহস নকৰে। একমত আৰু একৰস স্থিতিৰ সংস্কাৰেই সত্যযুগত এক ৰাজ্য স্থাপনা কৰে।

শ্লোগান: কৰ্ম আৰু যোগৰ সন্তুলন ৰাখোঁতাসকলহে সফল যোগী।

!! ওঁম্ শান্তি !!

সকলো সংগমযুগী তীব্ৰ পুৰুষাৰ্থী ভাতৃ-ভগ্নীলৈ নতুন যুগৰ লগতে নৱবৰ্ষৰ বহুত বহুত শুভেচ্ছা

নতুন বছৰৰ এই প্ৰথম জানুৱাৰী মাহটো মৰমৰ সাকাৰ বাবাৰ স্মৃতিৰ মাহ, আমি সকলো বাবাৰ সন্তানে অব্যক্ত ধামৰ সূক্ষ্ম লীলাৰ অনুভৱ কৰিবলৈ তথা পিতা ব্ৰহ্মাৰ সমান সম্পন্ন আৰু সম্পূৰ্ণ কৰি তুলিবলৈ গোটেই মাহটোত নিজক বন্ধনমুক্ত, জীৱনমুক্ত স্থিতি গঢ়ি তুলিবলৈ মন আৰু মুখৰ মৌনতা ৰাখোঁ আহক। বুদ্ধিবলেৰে অব্যক্ত ধাম পৰিক্ৰমা লগাওঁ। এইটো লক্ষ্যৰে এইটো মাহৰ অব্যক্ত ইংগিত প্ৰেৰণ কৰা হৈছে।

অব্যক্ত ইংগিত: এই অব্যক্ত মাহত বন্ধনমুক্ত হৈ থাকি জীৱনমুক্ত স্থিতিৰ অনুভৱ কৰা

বাপদাদাই বিচাৰে যে মোৰ প্ৰতিগৰাকী সন্তান মুক্তি-জীৱনমুক্তিৰ উত্তৰাধিকাৰৰ অধিকাৰী হওক। বৰ্তমানৰ অভ্যাসেৰে সত্যযুগত স্বাভাৱিক জীৱন হ'ব কিন্তু উত্তৰাধিকাৰৰ অধিকাৰ এতিয়া সংগমত আছে সেয়েহে যদি কোনো বন্ধনে টানে তেন্তে তাৰ কাৰণ কি ভাবা আৰু নিবাৰণ কৰা।